**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ ধৰ্মধবজা উত্তোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰি ভাৰতবৰ্ষক ৰামৰাজ্য সদৃশ কৰি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে ভাৰতীয় নৌ সেনা আৰু উপকূলৰক্ষী বাহিনীৰ সম্প্ৰতি নিৰ্মীয়মান প্ৰতিখন জাহাজৰেই নিৰ্মাণৰ কাম ভাৰতীয় জাহাজ নিৰ্মাণস্থলীত কৰি থকা হৈছে।

৩। জনপ্ৰিয় শিল্পী জুবিন গাৰ্গক হত্যা কৰা হৈছিল বুলি অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ আজিৰ প্ৰথমদিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে।

৪। দেশত কাইলৈ সংবিধান দিৱস উদযাপন কৰা হ'ব।

*আৰু*

৫। গোৱাৰ পানাজিত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ৫৬ সংখ্যক সংস্কৰণত যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ ধৰ্মেন্দ্ৰৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতবৰ্ষক ৰামৰাজ্য সদৃশ কৰি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ ধৰ্মধবজা উত্তোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। শ্ৰীৰামচন্দ্ৰ নিজেই মূল্যবোধৰ প্ৰতীক আছিল আৰু এতিয়াও তেওঁ দেশৰ প্ৰতিটো অংশতে বিদ্যমান বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, আমাৰ দেশখনক আমি ৰামৰাজ্যৰ ভাৰতৰ দৰে কৰি তুলিবলৈ বিচাৰো।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোডীয়ে আজি পবিত্ৰ শ্ৰীৰামজন্মভূমি মন্দিৰৰ শিখৰত গেৰুৱা পতাকা উত্তোলন কৰাৰ জৰিয়তে এই মন্দিৰৰ নিৰ্মাণ আনুষ্ঠানিকভাৱে সম্পূৰ্ণ হোৱা তথা সাংস্কৃতিক উদযাপন আৰু ৰাষ্ট্ৰীয় একতাৰ এটা নতুন অধ্যায়ৰ সূচনা কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমোদীয়ে সমগ্ৰ বিশ্ব সম্প্ৰতি ৰামময় হৈ পৰা বুলি উল্লেখ কৰি কয়, যে এই ধৰ্মধবজা কেৱল পতাকাই নহয়, বৰঞ্চ এয়া পুনৰ জাগৰণ এখন ধবজা আৰু ই ৰামৰাজ্যৰ নীতিক সাৰোগত কৰা এটা আৰম্ভণিৰ লগতে সংগ্ৰামৰ কাহিনীক প্ৰতিফলিত কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৩৫০সংখ্যক শ্বহীদ দিৱস উপলক্ষে গুৰু টেগ বাহাদুৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে অতুলনীয় সাহস আৰু ত্যাগৰ বাবে

নৱম শিখ গুৰু গৰাকীক প্ৰতি শ্ৰদ্ধাৰে সোঁৱৰে। তেওঁ লগতে কয়, যে বিশ্বাস আৰু মানৱতাৰ হকে গুৰু টেগ বাহাদুৰে কৰা ত্যাগে সমাজক চিৰকাল পোহৰাই ৰাখিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি সন্ধিয়াৰ ভাগলৈ ৩৫০ সংখ্যক শ্বহীদ দিৱস উপলক্ষে আয়োজিত এটা বিশেষ অনুষ্ঠানত অংশ গ্ৰহণ কৰিব। এই অনুষ্ঠানত শ্ৰীমোদীয়ে গুৰু টেগ বাহাদুৰৰ সোঁৱৰণত এটা বিশেষ মুদ্ৰা আৰু ডাক টিকট মুকলি কৰিব। গুৰু টেগ বাহাদুৰৰ ৩৫০ সংখ্যক শ্বহীদ দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰে বছৰজোৰা কাৰ্যসূচীৰ আয়োজন কৰিছে। এই ভ্ৰমণকালত, শ্ৰীমোডীয়ে কৃষ্ণৰ পবিত্ৰ শংখৰ সন্মানাৰ্থে একেই আৰ্হিৰে নিৰ্মাণ কৰা পাঞ্চজন্য ভৱনো মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ধিয়াৰ ভাগলৈ দেশৰ অন্যতম পবিত্ৰ তীৰ্থস্থান হিচাপে পৰিগণিত ব্ৰহ্ম সৰোবৰ দৰ্শন কৰি পূজা অৰ্চনা আগবঢ়াব। উল্লেখযোগ্য, কুৰুক্ষেত্ৰত সম্পতি ১৫ নৱেম্বৰৰ পৰা আন্তঃৰাষ্ট্ৰীয় গীতা মহোৎসৱ চলি আছে।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে ভাৰতীয় নৌ সেনা আৰু উপকূলৰক্ষী বাহিনীৰ সম্প্ৰতি নিৰ্মীয়মান প্ৰতিখন জাহাজৰেই  নিৰ্মাণৰ কাম ভাৰতীয় জাহাজ নিৰ্মাণস্থলীত কৰি থকা হৈছে। এই পদক্ষেপে আত্মনিৰ্ভৰ ভাৰতৰ সফলতাৰ নিদৰ্শন দাঙি ধৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভৱিষ্যত পৰিকল্পনাৰ সুফল সূচাইছে। নতুন দিল্লীত আজি আয়োজিত **সমুদ্ৰ উৎকৰ্ষ** শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰি শ্ৰীসিঙে কয়, যে ভাৰতৰ বাবে সামুদ্ৰিক বাণিজ্যৰ প্ৰতি ভাৰসাই বিশেষ গুৰুত্ব বহন কৰে। ভাৰতবৰ্ষৰ বাণিজ্যৰ প্ৰায় ৯৫শতাংশ আৰু পৰ্যটনৰ প্ৰায় ৭০ শতাংশ সাগৰীয় পথেৰে সম্পন্ন হয় বুলি উল্লেখ কৰি তেওঁ, বিভিন্ন মহাদেশৰ মাজত বৃহৎ পৰিমাণৰ সামগ্ৰী পৰিবহনৰ বাবে এই পৰিবহন ব্যৱস্থাই সবাতোকৈ কম খৰছী আৰু কাৰ্যকৰী বুলি মত প্ৰকাশ কৰে। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত যোগান শৃংখলা সুসংবদ্ধ হৈ থকাৰ লগতে বিভিন্ন দেশৰ অৰ্থনীতিৰ বাবে ই সহায়ক হৈ পৰা বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**-বাইট-**

0000000

দেশত কাইলৈ সংবিধান দিৱস উদযাপন কৰা হ'ব। এই বছৰৰ সংবিধান দিৱসৰ বিষয়বস্তু হৈছে হমাৰা সংবিধান-হমাৰা স্বাভিমান। এই দিৱসৰ মূল কাৰ্যসূচী নতুন দিল্লীৰ সংবিধান সদনৰ চেণ্ট্ৰেল হলত আয়োজিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰীসকল তথা সাংসদসকলেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ২৬ নৱেম্বৰ দিনটো সংবিধান দিৱস হিচাপে ঘোষণা কৰাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

0000000

অসম বিধানসভাৰ শীতকালীন অধিৱেশন প্ৰথমদিনটোত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি সদৰী কৰিছে। আজি সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছত এ আই ইউ ডি এফ, কংগ্ৰেছ, ৰাইজৰ দল, চি পি এমকে ধৰি বিৰোধী দলসমূহে সদনৰ কাম-কাজ স্থগিত ৰখাৰ দাবী জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক দিশে আগবঢ়া নাই বুলি অভিযোগ তুলি ৰাজনৈতিক দলসমূহে জুবিন গাৰ্গৰ দাবী উত্থাপন কৰে। প্ৰত্যুত্তৰত শাসক দলে সদনৰ কাম-কাজ স্থগিত

ৰখাৰ বাবে সন্মতি প্ৰকাশ কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক দিশত আগবঢ়া নাই বুলি অভিযোগ তুলি চি বি আইক তদন্ত দাবী কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে জুবিন গাৰ্গক হত্যা কৰা হৈছিল। ৰাইজৰ দলৰ অখিল গগৈ, এ আই ইউ ডি এফৰ আশ্ৰাফুল হুছেইন, চি পি এমৰ মনোৰঞ্জন তালুকদাৰে মুখ্যমন্ত্ৰীৰ পৰা এই সন্দৰ্ভত তথ্য প্ৰমাণ সদনত প্ৰকাশ কৰাৰ বাবে দাবী উত্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে অসম আৰক্ষীয়ে এই বিষয়ে আদালতক অৱগত কৰে। আৰক্ষীয়ে আদালতৰ আগত প্ৰকাশ কৰা অনুসৰি জুবিন গাৰ্গৰ হত্যাত এজন ব্যক্তি জড়িত হৈ থকাৰ লগতে আন চাৰি পাঁচগৰাকীয়ে এই হত্যাত সহায় কৰে। ইতিমধ্যে অভিযুক্তসকলৰ বিৰুদ্ধে বি এন এছ ১০৩/১০৫/১০৬ আৰু ৬১ ধাৰা ৰুজু কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে সদনত জনাই যে অহা ৮ ডিচেম্বৰত জুবিন গাৰ্গৰ মৃত্যুত সন্দৰ্ভত এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব। এছ আই টিয়ে বৰ্তমানলৈ এই সন্দৰ্ভত ২৫২জনৰ সাক্ষ্য গ্ৰহণ কৰিছে।

0000000

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কাইলৈ সংবিধান দিৱস উপলক্ষে সমগ্ৰ দেশতে তিনিতৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহৰ মাজত বিশেষ নিৰীক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে এই বছৰৰ সংবিধান দিৱস উপলক্ষে সম্পাদক বিবেক ভৰদ্বাজ আৰু জ্যেষ্ঠ বিষয়া তথা কৰ্মচাৰীসকলৰ উপস্থিতিত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব। দেশৰ সকলো গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

0000000

গোৱাৰ পানাজিত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ৫৬ সংখ্যক সংস্কৰণত কালি দেহাৱসান ঘটা যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ ধৰ্মেন্দ্ৰৰ প্ৰতি চলচ্চিত্ৰ নিৰ্মাতা, প্ৰযোজক,অভিনেতা-অভিনেত্ৰী, কলা-কুশলী আৰু আয়োজকসকলে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। প্ৰথিতযশা অভিনেতাগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰি এণ্টাৰটেইনমেণ্ট ছ'চাইটি অৱ গোৱা নামৰ আয়োজক সংস্থাটোৱে কালি নিৰ্ধাৰিত মঞ্চ অনুষ্ঠানসমূহ বাতিল কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা অভিনেতাগৰাকীক ১২ দিন পূৰ্বে চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়াৰ পাছত ৮৯ বছৰ বয়সত কালি মুম্বাইত তেওঁৰ দেহাৱসান ঘটে। ১৯৩৫ চনৰ ৮ ডিচেম্বৰত লুধিয়ানাত জন্মগ্ৰহণ কৰা ধৰ্মেন্দ্ৰ কৃষাণ দেউলেই পাছলৈ বলিউদত ধৰ্মেন্দ্ৰ হিচাপে উজলি উঠিছিল। ভাৰতীয় চলচ্চিত্ৰ ইতিহাসৰ সুদৰ্শন, সফল তাৰকা হিচাপে পৰিচিত আৰু বলিউদৰ হি মেন হিচাপে খ্যাত ধৰ্মেন্দ্ৰই প্ৰায় ৬৫ বছৰীয়া অভিনয় জীৱনত কমেও ৩০০ খন চলচ্চিত্ৰত অভিনয় কৰে। ১৯৬০ চনত **দিলভি তেৰা হামভি তেৰে** শীৰ্ষক চলচ্চিত্ৰৰে হিন্দী চলচ্চিত্ৰ জগতত অভিষেক ঘটা ধৰ্মেন্দ্ৰই ভালেমান ছবিত অভিনয় কৰি অনুৰাগীসকলৰ বিপুল প্ৰশংসা লাভ কৰাৰ পাছত সৰ্বকালৰ জনপ্ৰিয় **শ্বোলে** ছবিত বিৰুৰ চৰিত্ৰত কৰা অনবদ্য অভিনয়েৰে তেওঁ বিশেষ খ্যাতি আৰু জনপ্ৰিয়তা অৰ্জন কৰে।

২০১২ চনত পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰই চলচিত্ৰত কৰা অভিনয়ৰ বাবে কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে। ৰাজস্থানৰ বিকানেৰ সমষ্টিৰ প্ৰতিনিধিত্ব কৰি ভাৰতীয় জনতা পাৰ্টিৰ পৰা ২০০৪ চনত তেওঁ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল।

0000000

ভাৰতীয় দূৰসংযোগ নিয়ামক প্ৰাধিকৰণে চলিত বছৰটোত ২১ লাখ বিসঙ্গতিপূৰ্ণ ফোন নম্বৰ আৰু বিসঙ্গতিপূৰ্ণ বাৰ্তা পঠিওৱা ১ লাখ উৎসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। ভাৰতীয় নাগৰিকসকলে ৰুজু কৰা গোচৰৰ ভিত্তিত এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰাধিকৰণ বাধ্য হৈছে বুলি এই সন্দৰ্ভত প্ৰকাশ কৰা হৈছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ৰ তথ্য অনুসৰি সমগ্ৰ দেশতে দূৰসংযোগ ব্যৱস্থা ক্ষেত্ৰখনত হোৱা অপপ্ৰয়োগৰ বাবে গ্ৰাহকসকল এনে ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় আৰু তাৎক্ষণিকভাৱে ল'ব পৰা উপায় হিচাপে গ্ৰাহকসকলে ডি এন ডি ব্যৱস্থাৰ সহায় ল'ব পাৰে। উল্লেখযোগ্য যে এই ব্যৱস্থাৰ জৰিয়তে প্ৰাধিকৰণে বিসঙ্গতিপূৰ্ণ নম্বৰটোৰ বিশদ তথ্য উলিয়াবলৈ সমৰ্থ হয়।

0000000

বাংলাদেশৰ ঢাকাত অনুষ্ঠিত মহিলা কাবাডী বিশ্বকাপত ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ দখল কৰিছে। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত চূড়ান্ত খেলখনত চীনা টাইপেইক ৩৫-২৮ ফলাফলত পৰাস্ত কৰি ভাৰতীয় দলটোৱে শ্ৰেষ্ঠত্ব অৰ্জন কৰে। ছেমিফাইনেলত ইৰাণক ৩৩-২১ ব্যৱধানত পৰাস্ত কৰাৰ পূৰ্বে গ্ৰুপ পৰ্যায়ৰ চাৰিখন খেলতেই ভাৰতে জয়লাভ কৰে।

উল্লেখযোগ্য যে, এইবাৰ কাবাডী বিশ্বকাপত মুঠ ১১খন দেশে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতীয় দলটোক অভিনন্দন জ্ঞাপন কৰে। এই জয়ে যুৱ খেলুৱৈসকলক সপোন দেখিবলৈ আৰু লক্ষ্যত উপনীত হ'বলৈ অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

0000000

মালয়েছিয়াৰ ইপ'ত অনুষ্ঠিত চুলতান আজলান শ্বাহ কাপ হকী প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন বৰ্ষা বিঘ্নিত খেলত ভাৰতে বেলজিয়ামৰ বিৰুদ্ধে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াই ২-৩ গলত পৰাজয় বৰণ কৰে। ভাৰতৰ হৈ অভিষেক আৰু শিলানন্দ লাক্ৰাই এটাকৈ গল দিয়ে। মুঠ ৬টা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত ইয়াৰ পূৰ্বে যোৱা দেওবাৰে অনুষ্ঠিত এখন খেলত ভাৰতীয় দলটোৱে তিনিবাৰৰ চেম্পিয়ন দক্ষিণ কোৰিয়াক ১-০ গলত পৰাস্ত কৰে। কাইলৈ প্ৰতিযোগিতাৰ আন এখন খেলত ভাৰতীয় দলটো আয়োজক দল মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি চতুৰ্থ দিনা দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংচত বাতৰি লিখা পৰলৈ ৪টা উইকেট হেৰুৱাই ২২০ ৰান কৰি খেলি আছে। খেলৰ তৃতীয় দিনা কালি ভাৰতে ২০১ ৰানত আটাইকেইটা উইকেট হেৰুৱাই শোচনীয়ভাৱে প্ৰথম ইনিংছৰ সামৰণি মাৰে।

0000000

সমাপ্ত